**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***::::::::::::::::::::::::::::::::::::::::***

১। ভাৰত আৰু ছিংগাপুৰে কৌশলগত সহযোগী হিচাপে সন্ত্ৰাসবাদৰ দৰে প্ৰত্যাহ্বান প্ৰতিহত কৰাৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতাৰ গুৰুত্ব সম্পৰ্কে সহমত প্ৰকাশ কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে দেশৰ সুৰক্ষা আৰু সৱলীকৰণ কেৱল সীমান্তসমূহৰ সুৰক্ষাতে সীমাবদ্ধ নহয়, বৰং সমাজ, পৰিবেশ আৰু নাগৰিকৰ নিৰাপত্তাৰ সৈতেও জড়িত বুলি মত প্ৰকাশ কৰিছে।

৩। পশ্চিমবংগত আজি বিজেপিৰ জ্যেষ্ঠ নেতা সুভেন্দু অধিকাৰীক বিজেপিৰ বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচন কৰা হয়।

৪। শিক্ষা মন্ত্ৰালয়ে এক ভাৰত শ্ৰেষ্ঠ ভাৰত অভিযানৰ অধীনত ষষ্ঠ যুৱ সংগম কাৰ্যসূচীৰ আয়োজন কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত কিছুসময় পাছতে ডেলহি কেপিটেলছ্ -কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰত আৰু ছিংগাপুৰে কৌশলগত সহযোগী হিচাপে সন্ত্ৰাসবাদৰ দৰে প্ৰত্যাহ্বান দূৰ কৰাৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতাৰ গুৰুত্ব সম্পৰ্কে সহমত প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সন্ত্ৰাসবাদ আৰু আন্তঃৰাষ্ট্ৰীয় অপৰাধৰ সমাধানৰ বাবে গঠিত সংযুক্ত কাৰ্যবাহী গোটৰ পঞ্চমখন বৈঠক অনুষ্ঠিত হয়। সংযুক্ত কাৰ্যবাহী গোটে সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদৰ লগতে আন যিকোনো ধৰণৰ সন্ত্ৰাসবাদকে কঠোৰ ভাষাৰে নিন্দা কৰাৰ লগতে ইয়াৰ প্ৰতি শূন্য সহনশীলতাৰ নীতিৰ বিষয়েও দোহাৰে। গোটটোৱে যোৱা বছৰ ২২ এপ্ৰিলৰ সংঘটিত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণ আৰু ১০ নৱেম্বৰত নতুন দিল্লীত লালকিল্লাৰ সমীপত হোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপৰো নিন্দা কৰে। সন্ত্ৰাসবাদৰ মুখামুখি হোৱাৰ বাবে দীৰ্ঘম্যাদি আৰু ব্যাপক সমন্বিত কাৰ্যসূচী গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কেও সংযুক্ত কাৰ্যবাহী গোটে সহমত প্ৰকাশ কৰে। উভয় ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘ, আছিয়ান, বিত্তীয় কাৰ্যবাহিনী আৰু অন্যান্য বহুপক্ষীয় মঞ্চৰ জৰিয়তে সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ ক্ষেত্ৰত থকা তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ পৰ্যালোচনা কৰে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত তালিকাভুক্ত সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদী গোটসমূহৰ বিৰুদ্ধে যুঁজাৰ বাবে সকলোৰে সহযোগিতা সম্পৰ্কেও সংযুক্ত কাৰ্যবাহী গোটে পৰ্যালোচনা কৰে। সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাস খৰটকীয়াকৈ প্ৰতিহত কৰাটো সুনিশ্চিত কৰাৰ বাবে তথ্যৰ বিনিময় অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰতো তেওঁলোকে সহমত প্ৰকাশ কৰে। এই বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব ডং বিনোদ বহাদে আৰু ছিংগাপুৰৰ গৃহ মন্ত্ৰালয়ৰ উপ সচিব এনজিয়াম ছিছুনে সহ অধ্যক্ষতা কৰে। ০০

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কয় যে দেশৰ সুৰক্ষা আৰু সৱলীকৰণ কেৱল সীমান্তসমূহৰ সুৰক্ষা দিয়াতে সীমাবদ্ধ নহয়। বৰং ই সমাজ, পৰিবেশ আৰু নাগৰিকসকললৈ আগবঢ়োৱা নিৰাপত্তাৰ সৈতেও জড়িত। নতুন দিল্লীত আজি ভাৰতীয় সেনাৰ সৈতে ত্ৰিৰংগা মাউণ্টেইন ৰেস্কিউ অভিযানৰ দশম বছৰ পূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে সবল ভাৰত বুলিলে সুৰক্ষিত সীমান্তৰ লগতে আত্মবিশ্বাসী সমাজ আৰু নাগৰিকসকলৰ জীৱন যিকোনো দুৰ্যোগৰ সময়ত সুৰক্ষিত হৈ থকাটোৱেই বুজায়। শ্ৰীসিঙে লগতে কয় যে হিমালয়ৰ দৰে দুৰ্গম আৰু স্পৰ্শকাতৰ এলেকাসমূহত ত্ৰিৰংগা মাউণ্টেইন ৰেস্কিউ অভিযান কেৱল উদ্ধাৰ অভিযানতে সীমিত নহয়। বৰঞ্চ দেশৰ সশস্ত্ৰ বাহিনীসমূহৰ বাবে ই এটা সাহস হোৱাৰ উপৰি স্থানীয় লোকসকলৰ বাবে বিশ্বাস আৰু ৰাষ্ট্ৰজুৰি আৰু ইয়াৰ নিৰ্ভৰযোগ্যতা বিৰাজমান। তেওঁ কয়, যে টি এম আৰে উদ্ধাৰৰ সময়ত কেৱল সহায় আগবঢ়োৱাই নহয়, এনে অভিযান অধিক শক্তিশালী কৰাৰ লগতে হিমস্খলনৰ সময়ত সহায় আগবঢ়োৱা দেশৰ এটা উল্লেখযোগ্য উদ্ধাৰকাৰী দল হিচাপে পৰিগণিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে টি এম আৰক বিশ্বমানৰ প্ৰশিক্ষণ দিয়াৰ লগতে পৰ্বতৰ উচ্চ শিখৰত উদ্ধাৰ অভিযানৰ সময়ত প্ৰয়োজনীয় ক্ষেত্ৰভিত্তিক জ্ঞান প্ৰদান কৰাৰো ব্যৱস্থা কৰাৰ নিশ্চিতি দিয়ে।

০০০০০

পশ্চিম বংগত আজি  বিজেপিৰ জ্যেষ্ঠ নেতা সুবেন্দু অধিকাৰীক  বিজেপিৰ বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয় । ইয়াৰ ফলস্বৰূপে শ্ৰী অধিকাৰী ৰাজ্যখনৰ প্ৰথমজন বিজেপি মুখ্যমন্ত্ৰী হোৱাৰ পথ প্ৰশস্ত হৈ পৰিছে।

নৱনিৰ্বাচিত বিজেপি বিধায়ক আৰু দলৰ জ্যেষ্ঠ নেতাৰ উপস্থিতিত বিধায়িনী দলৰ বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অধিকাৰীৰ নাম প্ৰস্তাৱ কৰি আনুষ্ঠানিকভাৱে ঘোষণা কৰে  ।

কাইলৈ কলকাতাৰ ব্ৰিগেড পেৰেড খেলপথাৰত নৱনিৰ্বাচিত বিজেপি চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠিত হ'ব

০০০০০

কেৰালামত নতুন চৰকাৰ গঠনৰ বাবে আলোচনা অব্যাহত  আছে। দেওবাৰৰ ভিতৰত ইউ দি এফৰ আগশাৰীৰ দল কংগ্ৰেছে তেওঁলোকৰ নেতাৰ নাম ঘোষণা কৰাৰ সম্ভাৱনা আছে। কংগ্ৰেছৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি কেৰালামত নিয়োজিত দলৰ নিৰীক্ষকসকলে দাখিল কৰা প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰীয় নেতৃত্বই বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰিব। সম্প্ৰতি কেৰালামৰ মুখ্যমন্ত্ৰী সম্পৰ্কে হোৱা আলোচনা নতুন দিল্লীলৈ স্থানান্তৰিত হৈছে। কংগ্ৰেছ বিধায়িনী দলৰ বৈঠকৰ পাছত নিখিল ভাৰত কংগ্ৰেছৰ নেতৃত্বই নিয়োগ কৰা পৰ্যবেক্ষকসকল কালি দিল্লীলৈ উভতি আহে। ৰাষ্ট্ৰীয় নেতৃবৰ্গৰ সৈতে হোৱা আলোচনাৰ পাছত এই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে। সম্প্ৰতি কেৰালামত  বিভিন্ন নেতাৰ সমৰ্থনত ৰাজ্যজুৰি প্ৰদৰ্শন আৰু পোষ্টাৰ প্ৰচাৰ অব্যাহত আছে।

০০০০০

তামিলনাডুত নতুন চৰকাৰ গঠনৰ উদ্দেশ্যে সংখ্যাগৰিষ্ঠ দল টি ভি কেই - ভাৰতীয় কমিউনিষ্ট পাৰ্টী-চিপিআই, মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টী- চিপিএম আৰু ভি চি কেৰ সমৰ্থন বিচাৰিছে। কংগ্ৰেছে ইতিমধ্যে ৫ জন বিধায়কেৰে দলটোলৈ সমৰ্থন আগবঢ়াইছে। আজি অনুষ্ঠিত বিস্তৃত আলোচনাৰ অন্তত দুজনকৈ বিধায়ক থকা চি পি আই আৰু চি পি এমে চৰকাৰ গঠনৰ উদ্দেশ্যে টি ভি কেলৈ চৰ্তবিহীন সমৰ্থন আগবঢ়োৱাৰ কথা ঘোষণা কৰে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ভি চি কেই আজি সন্ধিয়া হ'বলগীয়া বৈঠকৰ অন্তত নাইবা কাইলৈ তেওঁলোকৰ সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰিব। ইপিনে, ৰাজ্যিক বিজেপিৰ সভাপতি নাইনাৰ নাগেন্দ্ৰনে দলটোৱে নিৰ্বাচনৰ ফলাফল বিনম্ৰতাৰে গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। তেওঁ বিজেপিয়ে তামিলনাডুত নতুন চৰকাৰ গঠনৰ বাবে চলোৱা প্ৰয়াসত টি ভি কেৰ সৈতে কোনো কাৰণতে জোটবন্ধন নকৰে বুলি স্পষ্ট কৰি দিয়ে।

০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে এক ভাৰত শ্ৰেষ্ঠ ভাৰত পদক্ষেপৰ অধীনত যুৱ সংগমৰ ৬ষ্ঠ পৰ্যায়ৰ আয়োজন কৰিছে। এই যুৱ সংগমৰ লক্ষ্য হৈছে জনসাধাৰণৰ মাজত সংযোগ শক্তিশালী কৰা আৰু বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ যুৱক-যুৱতীসকলৰ মাজত সাংস্কৃতিক সহযোগীতা বৃদ্ধি কৰা। এই কাৰ্যসূচীৰ অধীনত দেশৰ বিভিন্ন প্ৰান্তৰ যুৱ অংশগ্ৰহণকাৰীসকলে অংশীদাৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ ভ্ৰমণ কৰি জীৱন, বিকাশ , সংস্কৃতি, ঐতিহ্য, শিক্ষা, পৰ্যটন, উদ্ভাৱন, আদিৰ বিভিন্ন দিশৰ অভিজ্ঞতা লাভ কৰিছে। বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লোকসকলৰ মাজত পাৰস্পৰিক কাৰ্য-কলাপ আৰু বুজাবুজি বৃদ্ধিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক ভাৰত শ্ৰেষ্ঠ ভাৰত কাৰ্যসূচী গ্ৰহণ কৰিছে।

০০০০০

গুজৰাটৰ সোমনাথ মন্দিৰ পুনৰ নিৰ্মাণৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে সোমনাথ অমৃত পৰ্ব উদযাপন কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১১ মে' তাৰিখে  সোমনাথ অমৃত পৰ্বত অংশগ্ৰহণ কৰিব। সংবাদ মাধ্যমৰ আগত ৰাজ্যৰ কেবিনেট মন্ত্ৰী জিতু ভাই বাঘানীয়ে কয় যে সোমনাথ স্বাভিমান পৰ্বৰ অংশ হিচাপে সোমনাথত ভাৰতৰ চহকী সাংস্কৃতিক আৰু ঐতিহ্য পৰম্পৰা প্ৰদৰ্শন কৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হ'ব। তেওঁ কয় যে অহা ১১ মে'ত প্ৰধানমন্ত্ৰীয়ে ত্ৰিবেণী হেলিপেডৰ পৰা বীৰ হামিৰজী গোহিলৰ প্ৰতিমূৰ্তিলৈ এক কিলোমিটাৰ দৈৰ্ঘ্যৰ মেগা ৰোডশ্ব'ৰ নেতৃত্ব দিব। এই

ৰোডশ্ব’ত বিভিন্ন শিল্পীৰ সাংস্কৃতিক অনুষ্ঠানৰ লগতে বিভিন্ন ভাৰতীয় ৰাজ্যৰ বিভিন্ন সংস্কৃতিক প্ৰতিনিধিত্ব কৰা পৰম্পৰাগত নৃত্য প্ৰদৰ্শন কৰা হ’ব। এই ভ্ৰমণৰ সময়ত শ্ৰী মোডীয়ে সোমনাথ মন্দিৰত ‘কুম্ভভিষেক’, ‘ধ্বজ পূজা’, আৰু ‘মহা পূজা’ত অংশগ্ৰহণ কৰিব। সূৰ্য্য কিৰণ দলৰ এক দৰ্শনীয় এয়াৰ শ্ব’ আৰু মন্দিৰৰ ওপৰেৰে হেলিকপ্টাৰেৰে পুষ্পবৃষ্টি এই অনুষ্ঠানৰ প্ৰধান আকৰ্ষণ হ'ব। ইয়াৰ পিছত প্ৰধানমন্ত্ৰীয়ে সদভাৱনা খেলপথাৰত এক বৃহৎ জনসভাত ভাষণ দিয়াৰ কথা সম্ভাৱনা আছে। উল্লেখযোগ্য যে আজিৰ পৰা ৭৫ বছৰ পূৰ্বে ১১ মে’ত পুনৰ নিৰ্মিত মন্দিৰটো ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ড০ ৰাজেন্দ্ৰ প্ৰসাদে উদ্বোধন কৰিছিল।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীত দেওবাৰে সম্ভাব্য বান আৰু গৰমৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে এক উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰিব ।এই উচ্চ পৰ্যায়ৰ পৰ্যালোচনাই সক্ৰিয় শাসন ব্যৱস্থা, নাগৰিককেন্দ্ৰিক দুৰ্যোগ ব্যৱস্থাপনা, আৰু দুৰ্যোগ প্ৰতিৰোধী ভাৰত গঢ়ি তোলাৰ প্ৰতি চৰকাৰৰ অটল দায়বদ্ধতাক প্ৰতিফলিত কৰে।

বৈঠকৰ সময়ত শ্ৰী শ্বাহে কেন্দ্ৰীয় চৰকাৰৰ সংস্থাসমূহৰ প্ৰস্তুতিৰ মূল্যায়ন কৰিব, লগতে আগতীয়া সতৰ্কবাণী ব্যৱস্থা, তথা আন্তঃসংস্থা সমন্বয়ৰ পৰ্যালোচনা কৰিব, যাতে জীৱনৰ শূন্য ক্ষতি আৰু সম্পত্তিৰ ন্যূনতম ক্ষতি নিশ্চিত কৰিব পৰা যায়। গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্পৰ সুৰক্ষা, নদী ব্যৱস্থাপনাৰ পদক্ষেপ আৰু পূৰ্বাভাসৰ ক্ষেত্ৰত বৈজ্ঞানিক অগ্ৰগতিকে ধৰি সমগ্ৰ দেশতে গ্ৰহণ কৰা দীৰ্ঘম্যাদী বান প্ৰশমনৰ ব্যৱস্থাৰ অগ্ৰগতিও মন্ত্ৰীগৰাকীয়ে পৰ্যালোচনা কৰিব। ইয়াৰ উপৰি বানপানীৰ পূৰ্বাভাস আৰু আগতীয়া সতৰ্কবাণী ব্যৱস্থা শক্তিশালী কৰা আৰু একেলগে হোৱা দুৰ্যোগ, বিশেষকৈ বানপানী আৰু গৰমৰ দৌৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাৰ বাবে প্ৰস্তুতি বৃদ্ধি কৰাৰ দৰে মূল বিষয়সমূহত বৈঠকত গুৰুত্ব প্ৰদান কৰা হ'ব। সামুহিক সজাগতা, জীৱন আৰু সম্পত্তিৰ ক্ষতি ৰোধ কৰাৰ বাবে স্থিতিস্থাপকতা গঢ়ি তোলা কাৰ্যসূচী আৰু অত্যাৱশ্যকীয় সাহায্য সামগ্ৰীৰ পৰ্যাপ্ত মজুত নিশ্চিত কৰা আৰু চিকিৎসাৰ প্ৰস্তুতিৰ বিষয়েও বৈঠকত আলোচনা কৰা হ’ব।

00000

ঃঃ সমাপ্ত ঃঃ